# 2019

## CHEMISTRY

## ( General )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following : 1×7=7

তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* How many unpaired electrons are there in $Fe^{3+}$ ion?

$Fe^{3+}$ আয়নত কিমানটা অযুগ্ম ইলেক্ট্ৰন আছে?

*(b)* Write the relationship between the effective nuclear charge $z^*$, atomic number $z$ and shielding constant $\sigma$.

কাৰ্যকৰী নিউক্লিয় আধান $z^*$, পৰমাণু ক্ৰমাংক $z$ আৰু আৱৰণি প্ৰভাৱ $\sigma$ৰ মাজৰ সম্পৰ্কটো লিখা।

*(c)* Define dipole moment.

দ্বিমেৰু ভ্ৰামকৰ সংজ্ঞা দিয়া।

*(d)* Glycerol is more viscous than glycol. Why?

গ্লিছাৰলৰ সান্দ্ৰতা গ্লাইকলতকৈ বেছি কিয়?

*(e)* LiCl has higher melting point than HCl. Why?

LiClৰ গলনাংক HClতকৈ বেছি কিয়?

*(f)* Define coefficient of viscosity.

সান্দ্ৰতা গুণাংকৰ সংজ্ঞা দিয়া।

*(g)* What is Frenkel defect?

ফ্ৰেংকেল ত্ৰুটি কাক বোলে?

**2.** *(a)* Write the significance of $\psi$ and $\psi^2$. 2+2=4

$\psi$ আৰু $\psi^2$ৰ তাৎপৰ্যসমূহ লিখা।

*(b)* Define Hund's rule of maximum multiplicity. Taking example of O-atom, explain the rule. 1+1=2

হুণ্ডৰ সৰ্বোচ্চ গুণিতকত্ব নীতিটো লিখা। O-পৰমাণুক উদাহৰণ হিচাবে লৈ নীতিটো ব্যাখ্যা কৰা।

*(c)* Describe azimuthal quantum number and give its utility. 1+1=2

এজিমুথেল কোৱাণ্টাম সংখ্যাৰ সংজ্ঞা দিয়া আৰু ইয়াৰ প্ৰয়োগ লিখা।





**3.** Answer any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

*(a)* *(i)* Write the Schrödinger wave equation and write the meaning of various terms used in it. 1+2=3

শ্ৰ'ডিন্‌জাৰৰ তৰংগ সমীকৰণটো লিখা আৰু ইয়াত থকা বিভিন্ন ৰাশিবোৰৰ অৰ্থ লিখা।

*(ii)* Write the electronic configuration of Cr. Mention whether it is diamagnetic or paramagnetic in nature. 1+1=2

Crৰ ইলেক্ট্ৰনীয় সজ্জা লিখা। ই অপচুম্বকীয় নে অনুচুম্বকীয়, উল্লেখ কৰা।

*(b)* *(i)* Define r.m.s. velocity. At what temperature the r.m.s. velocity of $CO_2$ gas be the same as that of $Cl_2$ at 293 K? 1+2=3

r.m.s. বেগৰ সংজ্ঞা দিয়া। কি উষ্ণতাত $CO_2$ গেছৰ r.m.s. বেগৰ মান 293 K উষ্ণতাত থকা $Cl_2$ গেছৰ r.m.s. বেগৰ সমান হ'ব?

*(ii)* Write two differences between atomic orbital and hybrid orbital. 2

পাৰমাণৱিক অৰবিটেল আৰু সংকৰিত অৰবিটেলৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(c) (i) Define ionic radius. Why the size of cation is smaller than that of its corresponding neutral atom? 1+2=3

আয়নীয় ব্যাসাৰ্ধৰ সংজ্ঞা দিয়া। কেটায়নৰ অৱয়ৱ তাৰ অনুৰূপ প্ৰশম পৰমাণুৰ অৱয়ৱতকৈ কম কিয়?

(ii) Write and explain Pauli's exclusion principle. 2

পাউলিৰ অপবৰ্জন নীতিটো লিখা আৰু ব্যাখ্যা কৰা।

(d) (i) What do you mean by resonating structure? Write the resonating structure of $CO_3^{2-}$ and $NO_3^-$ ions. 1+2=3

সংস্পন্দন গঠন বুলিলে কি বুজা? $CO_3^{2-}$ আৰু $NO_3^-$ আয়নৰ সংস্পন্দন গঠনসমূহ লিখা।

(ii) Define surface tension. Write the effect of temperature on surface tension. 1+1=2

পৃষ্ঠটানৰ সংজ্ঞা দিয়া। পৃষ্ঠটানৰ ওপৰত উষ্ণতাৰ প্ৰভাৱ লিখা।

(e) (i) Define crystal lattice and unit cell. 1+1=2

স্ফটিক লেটিছ আৰু একক কোষৰ সংজ্ঞা দিয়া।

(ii) An element (atomic mass = 60) having f.c.c. unit cell has a density of 6·23 g $cm^{-3}$. Find the edge length of the unit cell. (Avogadro's constant = $6 \cdot 023 \times 10^{23}$ $mol^{-1}$) 3





এটা মৌলৰ (পাৰমাণৱিক ভৰ = 60) f.c.c. একক কোষ আছে আৰু ইয়াৰ ঘনত্ব 6·23 g $cm^{-3}$. একক কোষটোৰ দাঁতি দৈৰ্ঘ্যৰ মান গণনা কৰা।

(এভ'গেড্ৰ' ধ্ৰুৱক = $6 \cdot 023 \times 10^{23}$ $mol^{-1}$)

4. Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) (i) What is inter- and intra-molecular hydrogen bonding? Explain why the boiling point of *p*-nitrophenol is greater than that of the *o*-nitrophenol. 1+1+2=4

আন্তঃ- আৰু অন্তঃ-আণৱিক হাইড্ৰ'জেন বান্ধনি বুলিলে কি বুজা? *p*-নাইট্ৰ'ফিনলৰ উতলাংক *o*-নাইট্ৰ'ফিনলতকৈ বেছি কিয়?

(ii) Write two points to distinguish between Frenkel and Schottky defects. 2

ফ্ৰেংকেল আৰু শ্বট্‌কি ক্ৰটিৰ দুটা পাৰ্থক্য লিখা।

(iii) Write why the solubility of silver halide in water is low. 2

পানীত ছিলভাৰ হেলাইডৰ দ্ৰৱণীয়তা কিয় কম, লিখা।

(iv) Highly charged anions are rare. Why? 2

উচ্চ আধানযুক্ত এনায়ন একেবাৰে কম। কিয়?

*(b)* *(i)* Derive Schrödinger wave equation for hydrogen atom. Write the significance of the equation. 3+2=5

হাইড্ৰ'জেন পৰমাণুৰ বাবে স্ক্ৰ'ডিন্‌জাৰৰ তৰংগ সমীকৰণটো স্থাপন কৰা। এই সমীকৰণটোৰ তাৎপৰ্য লিখা।

*(ii)* Define lattice energy. Derive Born-Lande equation in this regard. 1+2=3

লেটিছ শক্তি কাক বোলে? এই ক্ষেত্ৰত ব'ৰ্ণ-লাণ্ডে সমীকৰণটো স্থাপন কৰা।

*(iii)* Explain the structure of $SF_6$ molecule. 2

$SF_6$ অণুৰ গঠন ব্যাখ্যা কৰা।

*(c)* *(i)* Write the postulates of the kinetic theory of which gases deviate from ideal behaviour. 2

গেছৰ গতিজবাদৰ তত্ত্বকেইটা লিখা, যাৰ বাবে গেছ এটাই আদৰ্শ আচৰণৰ পৰা বিচ্যুতি দেখুৱায়।

*(ii)* Write the van der Waals' equation for *n*-moles of gases. Give the significance of van der Waals' constants *a* and *b*. 1+2=3

*n*-ম'ল গেছৰ বাবে ভান ডাৰ ৱাল্‌ছৰ সমীকৰণটো লিখা। ভান ডাৰ ৱাল্‌ছৰ ধ্ৰুৱক *a* আৰু *b*ৰ তাৎপৰ্য লিখা।





*(iii)* Write the Maxwell-Boltzmann law of molecular velocities. Draw the graph of probability (*P*) versus velocity (*C*) at a particular temperature. Explain the effect of temperature on Maxwell's distribution of velocities. 2+1+2=5

আণৱিক বেগৰ ক্ষেত্ৰত মেক্সৱেল-ব'ল্টজ্‌মেনৰ নীতিটো লিখা। এক নিৰ্দিষ্ট উষ্ণতাত সম্ভাৱিতা (*P*) আৰু বেগ (*C*)ৰ লেখ আঁকা। মেক্সৱেলৰ গতিবেগৰ বণ্টনৰ ওপৰত উষ্ণতাৰ প্ৰভাৱ ব্যাখ্যা কৰা।

*(d)* Write short notes on the following : 4+3+3=10

তলত দিয়াবোৰৰ উপৰত চমু টোকা লিখা :

*(i)* Born-Haber cycle / ব'ৰ্ণ-হেবাৰ চক্ৰ

*(ii)* VSEPR theory / VSEPR তত্ত্ব

*(iii)* Fajans' rule / ফাজানৰ নীতি

*(e)* *(i)* Define critical temperature and critical pressure. Prove that

$$P_C = a/27b^2$$ 1+1+2=4

ক্ৰান্তিক উষ্ণতা আৰু ক্ৰান্তিক চাপৰ সংজ্ঞা দিয়া। প্ৰমাণ কৰা যে

$$P_C = a/27b^2$$

*(ii)* Define vapour pressure. Write the method for the measurement of vapour pressure. 1+3=4

বাষ্পীয় চাপৰ সংজ্ঞা দিয়া। বাষ্পীয় চাপ মাপনৰ পদ্ধতিটো লিখা।

*(iii)* Write the postulates of Bohr's theory about atom. 2

পৰমাণুৰ ক্ষেত্ৰত ব'ৰৰ তত্ত্বৰ স্বীকাৰ্যসমূহ লিখা।

★★★